## অসম চৰকাৰ

## উচ্চ শিক্ষা সঞ্চালকৰ কাৰ্যালয়, অসম

## কাহিলীপাৰা, গুৱাহাটী- ১৯

পত্ৰ ক্ৰমাংক নং পিচি/এইচ ই/প্লেন/৪/২০১৬/৫৫, দিনাংক, কাহিলীপাৰা, ১২ জুলাই/২০১৯

প্ৰেৰক ঃ শ্ৰীমতী গীতিমণি ফুকন, এ চি এচ,
সঞ্চালিকা, উচ্চ শিক্ষা, অসম
কাহিলীপাৰা, গুৱাহাটী- ১৯

প্ৰতি

১। পঞ্জীয়ক, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী-১৪
২। পঞ্জীয়ক, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়-৪
৩। পঞ্জীয়ক, বড়োল্যাণ্ড বিশ্ববিদ্যালয়, কোকৰাঝাৰ
৪। পঞ্জীয়ক, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন বিশ্ববিদ্যালয়, নলবাৰী
৫। পঞ্জীয়ক, কটন বিশ্ববিদ্যালয়, গুৱাহাটী-১
৬। পঞ্জীয়ক, কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়, গুৱাহাটী
৭। পঞ্জীয়ক, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, মাজুলী
৮। পঞ্জীয়ক, ভট্টদেৱ বিশ্ববিদ্যালয়, বজালী, বৰপেটা
৯। পঞ্জীয়ক, কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, হোজাই
১০। পঞ্জীয়ক, মাধৱদেৱ বিশ্ববিদ্যালয়, নাৰায়ণপুৰ
১১। অধ্যক্ষ, চৰকাৰী/প্ৰাদেশীকৃত মহাবিদ্যালয়, অসম

বিষয় ঃ চৰকাৰী ভাষা প্ৰয়োগ সন্দৰ্ভত।

মহাশয়/মহাশয়া,

উল্লিখিত বিষয় সন্দৰ্ভত অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ চিঠি নং এ এইচ ই/৬২৬/২০১৮/৮৩, তাং ৯/৭/২০১৯ আৰু ইয়াৰ কাৰ্যবিৱৰণী এই পত্ৰৰ লগত সংলগ্ন কৰি বিষয়টোৰ ওপৰত বিহিত ব্যৱস্থা ল'বলৈ আপোনাক অনুৰোধ জনোৱা হ'ল।

অনুগ্ৰহ কৰি বিষয়টো জৰুৰী বুলি গণ্য কৰিব।

ভৱদীয়

(গীতিমণি ফুকন)
সঞ্চালিকা
উচ্চ শিক্ষা, অসম

মেম নং- পিচি/এইচ ই/ প্লেন/৪/২০১৬/...... দিনাংক, কাহিলীপাৰা, ১২ জুলাই/২০১৯

১। অৱৰ সচিব, অসম চৰকাৰ, উচ্চ শিক্ষা বিভাগ, অসম

(গীতিমণি ফুকন)
সঞ্চালিকা
উচ্চ শিক্ষা, অসম

# অসম চৰকাৰ
## উচ্চ শিক্ষা বিভাগ
## দিশপুৰ গুৱাহাটী-৬

......

নং এ এইচ ই ৬২৬/২০১৮/৬৩ তাং দিশপুৰ, ৯ জুলাই, ২০১৯

প্ৰেৰক : শ্ৰী পৰেশ চন্দ্ৰ ফুকন,
অবৰ সচিব, অসম চৰকাৰ
উচ্চ শিক্ষা বিভাগ

প্ৰতি : ১) সঞ্চালক, উচ্চ শিক্ষা সঞ্চালকালয়, অসম
কাহিলীপাৰা, গুৱাহাটী - ১৯

২) সঞ্চালক, কাৰিকৰী শিক্ষা সঞ্চালকালয়, অসম
কাহিলীপাৰা, গুৱাহাটী - ১৯

**বিষয় : চৰকাৰী ভাষা প্ৰয়োগ সন্দৰ্ভত।**


মহাশয়া,

উল্লেখিত বিষয় সন্দৰ্ভত, আদেশানুক্ৰমে আপোনাক জনাও যে শিক্ষা বিভাগৰ অতিৰিক্ত মুখ্য সচিবৰ উপস্থিতিত অসমৰ মুখ্য সচিব মহোদয়ে যোৱা ০৪/০৬/২০১৯ ইং তাৰিখে এক আলোচনাত মিলিত হয় আৰু অসমৰ প্ৰতিখন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত প্ৰকাশ কৰা জাননী সমূহ আৰু অন্যান্য কাৰ্য্যালয়ৰ কাম-কাজ সমূহত অসমৰ চৰকাৰী ভাষা বাধ্যতামূলক ভাবে প্ৰযোজ্য কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। এই প্ৰসঙ্গত অনুষ্ঠিত হৈ যোৱা সভাৰ কাৰ্য্য-বিৱৰণী ইয়াৰ লগত সান্নিবিষ্ট কৰা হল আৰু বিষয়টোৰ ওপৰত বিহীত ব্যৱস্থা লবলৈ অনুৰোধ কৰা হল।

আপোনাৰ বিশ্বাসী,

অবৰ সচিব, অসম চৰকাৰ
উচ্চ শিক্ষা বিভাগ

10 JUL 2019



৪/০৬/২০১৯ ইং তাৰিখে, দিনৰ ২.০০ বজাত মাননীয় মুখ্য সচিব মহোদয়ৰ সভা-গৃহত অনুষ্ঠিত হোৱা- ভাষা-নীতি,নিয়োগ - নীতি আৰু ৰাজ্যভাষা আইন সম্পৰ্কীয় সভাৰ কাৰ্য-বিৱৰণী:-

**পৰিশিষ্টৰ** তালিকাত উপস্থিত থকা, অসম চৰকাৰৰ উচ্চ পদস্থ বিষয়াৰ লগতে অসম সাহিত্য সভাৰ প্ৰতিনিধিৰ লগত অসম সাহিত্য সভাই ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীৰ ওচৰত দাখিল কৰা,দাবী-পত্ৰৰ সন্দৰ্ভত মাননীয় মুখ্য সচিব মহোদয়ৰ সভা-গৃহত অনুষ্ঠিত হোৱা আজিৰ সভাত, সভাপতিত্ব কৰে অসমৰ মাননীয় মুখ্যসচিব মহোদয়ে ।

সভাৰ পাতনি মেলি অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সচিব শ্ৰী চন্দন শৰ্মাই আজিৰ সভাত আলোচনা কৰিবলগীয়া বিষয় সন্দৰ্ভত খুলমুল আভাষ দিয়াৰ বাবে অসম সাহিত্য সভাৰ সভাপতি ড° পৰমানন্দ ৰাজবংশী দেৱক অনুৰোধ জনায় ।তেওঁ মুখ্য সচিব মহোদয়ক সাহিত্য সভাৰ এখন বৰ্ষ তালিকা প্ৰদান কৰে ।

আলোচনাত বক্তব্য ৰাখি অসম সাহিত্য সভাৰ সভাপতি ড° ৰাজবংশীয়ে অসমত "চলো পাল্টাই" অভিযানৰ জৰিয়তে এক অপশক্তিয়ে ভাষিক দ্বন্দ্ব লগোৱাৰ অপচেষ্টা চলাই থকা বুলি অৱগত কৰে আৰু ইয়াক মষিমূৰ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰক অনুৰোধ জনায় । যিগত বৰ্ষৰ ৭ আগষ্টত অসমৰ সকলো সাহিত্য সভাৰ বিষয়ববীয়া আৰু ভাষা বিশেষজ্ঞৰ উপস্থিতিৰ সহমতত **ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ** জৰিয়তে প্ৰাথমিক শিক্ষাৰ ভাষা নীতি চূড়ান্ত কৰি ইয়াক ৰাজ্য চৰকাৰৰ প্ৰয়োজনীয় অনুমোদনৰ বাবে প্ৰেৰণ কৰা বুলি অৱগত কৰে ।লগতে তেওঁ ভাষা নীতিৰ আধাৰত অসমত চৰকাৰী/বে-চৰকাৰী খণ্ডৰ সকলো ধৰণৰ চাকৰিৰ লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰত ৫০% মাতৃভাষা আৰু ৫০% অসমৰ চৰকাৰী ভাষা-নীতি মতে প্ৰশ্নোত্তৰৰ মূল্যাংক নিৰ্দ্ধাৰণ, বাধ্যতামূলক কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লবলৈ অনুৰোধ জনায় ।ড°ৰাজবংশীয়ে সচিবালয় পৰ্যায়ৰ পৰা চৰকাৰী ভাষা প্ৰয়োগ সুনিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লবলৈও সভাপতিক অনুৰোধ জনায় । তেওঁ লগতে অসমীয়া চফটৱেৰ সহ কম্পিউটাৰ যন্ত্ৰ কাৰ্যালয়ত ব্যৱহাৰ কৰাৰ বাবেও ৰাজ্য চৰকাৰক অনুৰোধ জনায় । অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ প্ৰশ্নকাকতত চৰকাৰী ভাষাৰ লগতে অসমৰ ভাষা,সংস্কৃতি,ঐতিহ্য বিষয়ৰ ১০০ নম্বৰৰ প্ৰশ্ন কাকত এখনৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনায় ।ড° ৰাজবংশীয়ে চৰকাৰী ভাৱে উচ্চ শিক্ষা পৰ্য্যায়ত চৰকাৰী ভাষা প্ৰয়োগ সম্পৰ্কীয় এখন অধিসূচনা জাৰি কৰাৰ বাবে ৰাজ্য চৰকাৰক অনুৰোধ জনায় । ৰাষ্ট্ৰীয় ভাষা নীতি প্ৰসংগতো ড°ৰাজবংশীয়ে তেওঁৰ বক্তব্য আগবঢ়ায় ।

ভাষা নীতি সন্দৰ্ভত ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব, ৰাজীৱ বৰা দেৱে ভাষা প্ৰয়োগ এটি স্পৰ্শকাতৰ বিষয় বুলি যুক্তিৰে দাঙি ধৰি এই সম্পৰ্কত গভীৰ চিন্তা-চৰ্চাৰে বিষয়টিৰ ওপৰত সাহিত্য সভাক আগবাঢ়ি যোৱাৰ পৰামৰ্শ আগবঢ়ায় ।

শেষত সভাপতি মহোদয়ে নিম্নোক্ত বিষয় কেইটাৰ ওপৰত সংশ্লিষ্ট বিষয়াক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে পৰামৰ্শ দি সভাৰ সামৰণি ঘোষণা কৰে ।

১) ভাষা -নীতি সন্দৰ্ভত শিক্ষা বিভাগৰ আয়ুক্ত সচিবক পৰৱৰ্তী কেবিনেটত বিষয়টি উত্থাপনৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা,

২) বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়লৈ চৰকাৰী ভাষা প্ৰয়োগ কৰাৰ বাবে যাৱতীয় নিৰ্দেশনা জাৰি কৰা,

৩) অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অসমৰ ভাষা,সংস্কৃতি,ঐতিহ্য বিষয়ৰ ১০০ নম্বৰৰ এখন প্ৰশ্নকাকত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ আৰু

৪) চৰকাৰী ভাষা প্ৰয়োগ কৰাৰ বাবে অসমীয়া চফটৱেৰ সহ কম্পিউটাৰ যন্ত্ৰ সচিবালয় কাৰ্যালয়ত প্ৰচলনৰ ব্যৱস্থা গ্ৰহণ কৰা ।

Office of the Addl. Chief Secy ... Higher Education Deptt ... Diary No. 1267 Dt. 28-05-19

স্বা:
মুখ্য সচিব
অসম চৰকাৰ

পৰিশিষ্ট

আজি ০৪/০৬/২০১৯ ইং তাৰিখে, দিনৰ ২.০০ বজাত মাননীয় মুখ্য সচিব মহোদয়ৰ সভা-গৃহত অনুষ্ঠিত হোৱা- ভাষা-নীতি, নিয়োগ - নীতি আৰু ৰাজ্যভাষা আইন সম্পৰ্কীয় সভাৰ উপস্থিতিৰ তালিকা :

| ক্ৰমিক নং | নাম আৰু পদৱী |
|---|---|
| ১. | আলোক কুমাৰ, ভা.প্ৰ.সেৱা মুখ্য সচিব, অসম চৰকাৰ |
| ২. | ৰাজীৱ বৰা, ভা.প্ৰ.সেৱা, অতিৰিক্ত মুখ্য সচিব,অসম চৰকাৰ বিত্ত,ভূমি সংৰক্ষণ ইত্যাদি বিভাগ |
| ৩. | মনিন্দৰ সিং,ভা.প্ৰ.সেৱা, অতিৰিক্ত মুখ্য সচিব,অসম চৰকাৰ উচ্চ শিক্ষা, গুৱাহাটী উন্নয়ন ইত্যাদি বিভাগ |
| ৪. | জিষ্ণু বৰুৱা,ভা.প্ৰ.সেৱা, অতিৰিক্ত মুখ্য সচিব,অসম চৰকাৰ সমাজ কল্যাণ, আবকাৰী ইত্যাদি বিভাগ |
| ৫. | আশুতোষ অগ্নিহোত্ৰী,ভা.প্ৰ.সেৱা, আয়ুক্ত-সচিব, অসম চৰকাৰ গৃহ ও ৰাজনৈতিক বিভাগ |
| ৬. | প্ৰীতম শইকীয়া,ভা.প্ৰ.সেৱা, আয়ুক্ত-সচিব, অসম চৰকাৰ প্ৰাথমিক শিক্ষা বিভাগ, |
| ৭. | মণিমালা ফুকন বৰঠাকুৰ, ভা.প্ৰ.সেৱা, অয়ুক্ত-সচিব, অসম চৰকাৰ উচ্চ শিক্ষা,ইত্যাদি বিভাগ |
| ৮. | ড° পৰমানন্দ ৰাজবংশী, সভাপতি,অসম সাহিত্য সভা |
| ৯. | পদুম ৰাজখোৱা, সম্পাদক, অসম সাহিত্য সভা |
| ১০. | দাসো কলিতা, কাৰ্যকৰী সভাপতি,প্ৰকাশন উপ-সমিতি, অঃসাঃস |
| ১১. | চন্দন শৰ্মা, সচিব, অঃসাঃস, গুৱাহাটী কাৰ্যালয় |

৫৭

স্মাৰক নং:৭/২০১৪/৪৪ –(ক) তাৰিখ : দিশপুৰ,২৫ জুন ২০১৯ চন

প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থাৰ্থে:-

(১) ড° পৰমানন্দ ৰাজবংশী,সভাপতি,অসম সাহিত্য সভা,ভাগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১

(২) মুখ্য সচিবৰ ষ্টাফ অফিচাৰ,অসম চৰকাৰ, দিশপুৰ,মাননীয় মুখ্য সচিব মহোদয়লৈ প্ৰেৰণ কৰে যেন।

(৩) অতিৰিক্ত মুখ্য সচিবৰ ব্যক্তিগত সচিব,অসম চৰকাৰ, ভূমি সংৰক্ষণ ইত্যাদি বিভাগ,মাননীয় অতিৰিক্ত মুখ্য সচিব মহোদয়লৈ প্ৰেৰণ কৰে যেন ।

(৪) অতিৰিক্ত মুখ্য সচিবৰ ব্যক্তিগত সচিব,অসম চৰকাৰ, উচ্চ শিক্ষা, গুৱাহাটী উন্নয়ন ইত্যাদি বিভাগ, মাননীয় অতিৰিক্ত মুখ্য সচিব মহোদয়লৈ প্ৰেৰণ কৰে যেন ।

(৫) অতিৰিক্ত মুখ্য সচিবৰ ব্যক্তিগত সচিব,অসম চৰকাৰ, সমাজ কল্যাণ,আৱকাৰী,ইত্যাদি বিভাগ, মাননীয় অতিৰিক্ত মুখ্য সচিব মহোদয়লৈ প্ৰেৰণ কৰে যেন ।

(৬) আয়ুক্ত-সচিবৰ ব্যক্তিগত সচিব, অসম চৰকাৰ, গৃহ আৰু ৰাজনৈতিক বিভাগ,মাননীয় আয়ুক্ত-সচিব মহোদয়লৈ প্ৰেৰণ কৰে যেন ।

(৭) আয়ুক্ত-সচিবৰ ব্যক্তিগত সচিব, অসম চৰকাৰ, প্ৰাথমিক শিক্ষা বিভাগ, মাননীয় আয়ুক্ত-সচিব মহোদয়লৈ প্ৰেৰণ কৰে যেন ।

(৮) আয়ুক্ত-সচিবৰ ব্যক্তিগত সচিব, অসম চৰকাৰ, উচ্চ শিক্ষা ইত্যাদি বিভাগ, মাননীয় আয়ুক্ত-সচিব মহোদয়লৈ প্ৰেৰণ কৰে যেন ।

আদেশানুক্ৰমে,

উপ-সচিব
অসম চৰকাৰ
ৰাজনৈতিক (খ) বিভাগ দিশপুৰ